## স্পষ্টীকৰণ

যোৱা ইং ১১-০২-১৬ তাৰিখে " অসমীয়া খবৰ"ত প্ৰকাশিত " আৰক্ষীৰ নিৰ্যাতনত যুৱকৰ মৃত্যু, পানীখাইতিত চাঞ্চল্য" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

বাতৰিটোৰ সম্পৰ্কত স্পষ্ট কৰি দিয়া হয় যে ৰাজেন চাংমা হত্যাকাণ্ডৰ সন্দেহজনক ব্যক্তি লক্ষণ মাৰাকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল আৰু এই সন্দৰ্ভত প্ৰাগজ্যোতিষপুৰ থানাত ৮/১৬ U/S ৩০২/২০১ নং গোচৰ ৰুজু কৰা হৈছিল। উক্ত গোচৰৰ তদন্তকাৰী বিষয়া জীৱন দৈমাৰীয়ে লক্ষণ মাৰাকক সোধ পোছ কৰাৰ অন্তত তেঁওৰ জবানবন্দীৰ ভিত্তিত বকোৰ লিবচন চাংমা আৰু মন্টু চাংমা নামৰ লোক দুজন এই হত্যাকাণ্ডৰ মূল অভিযুক্ত বুলি জনা যায়। ঘটনাৰ পম খেদি আৰক্ষী বিষয়া জীৱন দৈমাৰীয়ে লক্ষণ মাৰাকক লগত লৈ ৮-২-১৬ তাৰিখে এই ব্যক্তি দুজনক গ্ৰেপ্তাৰ কৰাৰ বাবে বকো থানাৰ অন্তৰ্গত উকিয়াম গাঁৱলৈ ৰাওনা হয়। কিন্তু অভিযুক্ত দুজনৰ কোনো সম্ভেদ নাপাই আৰক্ষী দলটো উভতি আহিব লগা হয়। উভতি অহাৰ পথত ৰামপুৰ নামৰ ঠাইত লক্ষণ মাৰাকে তেঁওৰ কাষতে বহি থকা কনিষ্টবলজনক গটা মাৰি হাতকেৰেয়াসহ চলন্ত গাড়ীখনৰ পৰা জঁপিয়াই দিয়ে। চলন্ত গাড়ীৰ পৰা জঁপিয়াই পকী ৰাস্তাত পৰা বাবে লক্ষণ মাৰাকৰ মূৰ ফাটি তেজ ওলাই ৰাস্তাতে পৰি যায়। লক্ষণ মাৰাকক ততাতৈয়াকৈ ৰামপুৰ পি. এইচ. চি.ত ভৰ্তি কৰোৱা হয় যদিও আঘাত গুৰুতৰ বাবে তেঁওক এম্বুলেঞ্চেৰে জি. এম. চি. এইচলৈ প্ৰেৰণ কৰা হয়। তদন্তকাৰী বিষয়াই এই ঘটনা সম্বন্ধে লগে লগে উপ আৰক্ষী আয়ুক্ত (মধ্য), বিজয়নগৰৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আৰু প্ৰাগজ্যোতিষপুৰৰ ভাৰপ্ৰাপ্ত বিষয়াক অৱগত কৰে। এই ঘটনা সন্দৰ্ভত ইং ৫-২-১৬ তাৰিখে নিশা ৮-৪০ বজাত পলাশবাৰী থানাত ৩৩/১৬ U/S ২২৪/৫১১ নং গোচৰৰ পঞ্জীয়ন কৰা হয়। জি. এম. চি. এইচৰ ICU খালী নথকা হেতু লক্ষণ মাৰাক দিছপুৰ পলিক্লিনিকত চিকিৎসাধীন হৈ আছিল। ইং ৯-২-১৬ তাৰিখে সন্ধ্যা প্ৰায় ৬-২০ বজাত লক্ষণ মাৰাকে শেষ নিশ্বাস ত্যাগ কৰে। এই ঘটনা সম্বন্ধে তদন্তকাৰী বিষয়াই দিছপুৰ থানাত এখন এজাহাৰ দাখিল কৰে আৰু ১৩/১৬ নং গোচৰ ৰুজু কৰা হয়। লক্ষণ মাৰাকৰ মৃতদেহ ১০-০২-১৬ তাৰিখে মৰনোত্তৰ পৰীক্ষা কৰা হয় আৰু তেঁওৰ মৃতদেহ পৰিয়ালক চমজাই দিয়াৰ বাবে আৰক্ষীয়ে পানীখাইতীলৈ লৈ যায়। কিন্তু পৰিয়ালে মৃতদেহ চমজি লবলৈ অমান্তি হয় আৰু ৰাইজে এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰাত আৰক্ষী দলটো উভতি আহে আৰু মৃতদেহটো জি. এম. চি. এইচৰ মৰ্গত থোৱা হয়। তদন্তকাৰী বিষয়াই এই বিষয়ে ন্যায়িক দণ্ডাধীশক অবগত কৰে।

এই ঘটনা সন্দৰ্ভত উপ আৰক্ষী আয়ুক্ত (মধ্য)ক তদন্ত কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী